# অসম গণিত শিক্ষায়তনৰ সংবাদ:

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

অসম গণিত শিক্ষায়তনৰ দ্বিভাষিক আলোচনী 'গণিত বিকাশ'ৰ উনসপ্ততিতম সংখ্যাৰ (এপ্ৰিল-জুন, ২০২১) প্ৰকাশৰ পিছত কোভিদ মহামাৰীৰ দ্বিতীয় লহৰৰ বাবে শিক্ষায়তনৰ কাম-কাজ প্ৰায় স্থবিৰ হৈ পৰিছে। তথাপি অনলাইন পদ্ধতিৰে যোৱা বছৰৰ দৰে অলিম্পিয়াড পৰীক্ষা অনুষ্ঠিত কৰিবলৈ চেষ্টা কৰা হৈছিল। কিন্তু বিভিন্ন পক্ষৰ পৰামৰ্শ অনুসৰি পৰীক্ষা অনুষ্ঠিত কৰা নহ'ল। অতি সোনকালে এই পৰীক্ষা অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হৈছে।

যোৱা ২০ জুন, ২০২১ তাৰিখে Indian National Young Academy of Scienceৰ উদ্যোগত আৰু অসম গণিত শিক্ষায়তনৰ সহযোগত 'Expert Talks on new Horizons in Calculus' শীৰ্ষক বক্তৃতা অনুষ্ঠিত কৰা হয়। এই বক্তৃতা প্ৰদান কৰে কানাডাৰ মেকমাষ্টাৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক Sabrina Streipert এ। এই বক্তৃতাৰ বিষয় আছিল 'Time Scale Theory: Introduction with Application'।

১৪ আৰু ১৫ জুলাই, ২০২১ তাৰিখে গুৱাহাটীৰ বি বৰুৱা মহাবিদ্যালয়ৰ উদ্যোগত আৰু অসম গণিত শিক্ষায়তনৰ সহযোগত এখন কৰ্মশালা আয়োজন কৰা হয়। বৰ্তমান গণিতৰ গৱেষণা-পত্ৰ লিখনৰ বাবে প্ৰয়োজনীয় LaTeX ব্যৱহাৰৰ সম্পৰ্কত ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ দিয়া হয়। সমল ব্যক্তি হিচাপে উপস্থিত থাকে তেজপুৰ বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপক ড° বিপুল কুমাৰ শৰ্মা।

ড° জ্ঞানজ্যোতি শৰ্মা

*সাধাৰণ সম্পাদক, অসম গণিত শিক্ষায়তন*






# জাগীৰোড শাখাৰ প্ৰতিবেদন

অসম গণিত শিক্ষায়তনৰ জাগীৰোড শাখাই জাগীৰোড মহাবিদ্যালয়ৰ গণিত বিভাগৰ সহযোগত ২০/৮/২০২০ তাৰিখে এখন ৰাজ্যিক পৰ্যায়ৰ ৱেবিনাৰ অনুষ্ঠিত কৰে। শিক্ষায়তনৰ জাগীৰোড শাখাৰ সভাপতি তথা জাগীৰোড মহাবিদ্যালয়ৰ গণিত বিভাগৰ মুৰব্বী অধ্যাপক ড° আনন্দৰাম বুঢ়াগোহাঞিয়ে আঁত ধৰা ৱেবিনাৰখনত আদৰণি ভাষণ প্ৰদান কৰে জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগে। ৱেবিনাৰখনৰ বিষয়-বস্তু আছিল 'Fractal Geometry: A Geometry for the new Millenium'। এই নব্য সংযোজিত বিষয়ৰ অৱতাৰণা, বুৰঞ্জী, আৰু ক্ৰমবিকাশৰ সম্পৰ্কত সৰ্ব্বপ্ৰথমেই বিস্তৃত আৰু অতি সহজবোধ্য ব্যাখ্যা আগবঢ়ায় গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন মুৰব্বী অধ্যাপক তথা অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° তাৰিনী কুমাৰ দত্তই। ৱেবিনাৰখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকি কলিয়াবৰ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° অৰুণ মহন্তই বিষয়-বস্তুৰ সম্পৰ্কত বহুতো গুৰুত্বপূৰ্ণ তথ্য প্ৰকাশ কৰাৰ উপৰি ফ্ৰেক্টেলৰ বহুতো মনোমোহা আৰ্হি প্ৰদৰ্শন কৰে আৰু সেইসমূহৰ গঠন-প্ৰণালী আৰু অন্তৰ্নিহিত গণিত সম্পৰ্কে সুন্দৰভাৱে বুজায়। অসমৰ বিভিন্ন প্ৰান্তৰ লগতে ভাৰতৰ কেইবাখনো বিশ্ববিদ্যালয়ৰ মুঠ প্ৰায় ১২০ জন শিক্ষক, গৱেষক আৰু ছাত্ৰ-ছাত্ৰীয়ে ৱেবিনাৰখনত অংশগ্ৰহণ কৰে।

পৰাগ তামুলী

*সাধাৰণ সম্পাদক, জাগীৰোড শাখা*

# শোণিতপুৰ জিলা শাখাৰ প্ৰতিবেদন

অসম গণিত শিক্ষায়তনৰ শোণিতপুৰ জিলা শাখাৰ সহযোগত তেজপুৰ উচ্চতৰ মাধ্যমিক বহুমুখী কন্যা বিদ্যালয়ত ১৪ মাৰ্চ, ২০২১ তাৰিখে আন্তঃৰাষ্ট্ৰীয় গণিত দিৱস উদযাপন কৰা হয়। লগতে সদস্যসকলৰ সহযোগত জিলাখনৰ বিভিন্ন বিদ্যালয়তো উদযাপন কৰা হয়।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপক ড° হেমন্ত কুমাৰ শৰ্মাই আগবঢ়োৱা 'গণিতৰ জৰিয়তে জীৱিকা' শীৰ্ষক ভাষণ এটি শোণিতপুৰ জিলাৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ অনলাইন মাধ্যমেৰে প্ৰেৰণ কৰাৰ লগতে তেওঁলোকক শুনোৱাৰ ব্যৱস্থা কৰা হয়।

৮ ছেপ্টেম্বৰ, ২০২০ তাৰিখে শাখাৰ প্ৰথম বৰ্ষপূৰ্তিৰ উপলক্ষে তেজপুৰ বিশ্ববিদ্যালয়ৰ গণিত বিজ্ঞান বিভাগৰ অধ্যাপক ড° সোভম সেনৰ পৰিচালনাত এখন ৱেবিনাৰ আয়োজন কৰা হয়। ইয়াত কলিয়াবৰ মহাবিদ্যালয়ৰ অধ্যাপক ড° অৰুণ মহন্তই ফ্ৰেক্টেল সমন্ধীয় এক আলোচনা আগবঢ়ায়। বিশিষ্ট অতিথি হিচাপে ড° জ্ঞানজ্যোতি শৰ্মাই অংশগ্ৰহণ কৰা সভাখনত সভাপতিত্ব কৰে ড° ৰামচৰণ ডেকাই। ইয়াত যোৰহাট শাখাৰ সম্পাদিকা আৰু বকো শাখাৰ সাধাৰণ সম্পাদকেও যোগদান কৰে।

অনামিকা গগৈ

*সাধাৰণ সম্পাদক, শোণিতপুৰ জিলা শাখা*

# Report of Cachar District Branch

The Cachar District Branch of Assam Academy of Mathematics celebrated the International Day of Mathematics on 14th March 2021 in association with the Department of Mathematics, Cachar College Silchar. The event began with a brief inaugural session where Dr. Sangita Saha, a life member of AAM, highlighted the relevance of the celebration and provided a glance of the day's events. The welcome speech was presented by Dr. Debashish Sharma, General Secretary, AAM Cachar Branch. Dr. Avinoy Paul, HOD Mathematics, Cachar College presented a talk on interesting facts about the Fibonacci sequence and the golden ratio. This was followed short seminars by students of Holy Cross School Kabuganj, Ramanuj Vidya Mandir, Holy Cross School Silchar,

Gurucharan College, and Cachar College. The celebration gave an opportunity to the students to express their mathematical knowledge in front of the mathematics community of the district. There were several interesting talks by the students on various topics like ‘Mathematics and us’, ‘Facts about Pi’, ‘Gabriel’s Horn’, ‘Collatz Conjecture’, ‘Fibonacci Sequence’, ‘Group Homomorphism’, ‘Fun with mathematics’, ‘Infinitude of primes’, and ‘Non-Euclidean Geometry’. The event saw a healthy discussion on several topics of mathematical interest. There were talks by Mr. Kartik Paul, Guest Lecturer, Cachar College, Mr. Shomavo Chakraborty, Assistant Teacher, CCJC Palonghat School, and by Dr. Debashish Sharma. At the end of the event, certificates were distributed to the students for presenting short seminars.

Dr. Debashish Sharma

*General Secretary, Cachar Distrct Branch*

# বঙাইগাঁও শাখাৰ প্ৰতিবেদন



অসম গণিত শিক্ষায়তনৰ বঙাইগাঁও কেন্দ্ৰই স্থানীয় লালবাহাদুৰ শাস্ত্ৰী বিদ্যাপীঠ, মূলাগাঁও ত ১৪ মাৰ্চ, ২০২১ তাৰিখে আন্তৰ্জাতিক গণিত দিৱস উদযাপন কৰে। অসম গণিত শিক্ষায়তনৰ বঙাইগাঁও কেন্দ্ৰৰ সাধাৰণ সম্পাদক ৰূপে আমি আঁত ধৰা অনুষ্ঠানটোত, বিশিষ্ট অতিথি বঙাইগাঁও সৰ্বশিক্ষা অভিযানৰ জিলা প্ৰকল্প বিষয়া কিৰীটি পাঠক গোস্বামীয়ে ‘পাই’ আৰ্হিত সাজি উলিওৱা তোৰণ মুকলি কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। ‘পাই’ আৰ্হিৰ বিশেষ তোৰণখন বিদ্যালয়খনৰ সহকাৰী শিক্ষক বিমলা প্ৰসাদ সিংহৰ তত্বাৱধানত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নিৰ্মাণ কৰে। নিৰ্দিষ্ট বক্তা হিচাবে উপস্থিত থাকি বীৰঝৰা মহাবিদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপক মানবেন্দ্ৰ দাসে ছাত্ৰ-ছাত্ৰীৰ উপযোগী হোৱাকৈ সংখ্যা প্ৰণালী আৰু তত্ত্বৰ প্ৰাথমিক ধাৰণাৰ বিষয়ে আলোচনা আগবঢ়ায়। আৰম্ভণিতে অসম গণিত শিক্ষায়তনৰ প্ৰাক্তন সাধাৰণ সম্পাদক বীৰব্ৰত দাস চৌধুৰীয়ে আন্তৰ্জাতিক গণিত দিৱস উদযাপনৰ উদ্দেশ্য, লক্ষ্য আৰু ২০২১ ৰ বিষয় ‘Mathematics for a better world’ৰ বিষয়ে বহলাই ব্যাখ্যা কৰে। কিৰীটি পাঠক গোস্বামীয়ে তেওঁৰ বক্তব্যত ‘অগশি’ৰ

প্ৰচেষ্টাৰ শলাগ লয় আৰু পৰৱৰ্তী সময়ত এনেধৰণৰ অনুষ্ঠান সৰ্বশিক্ষাৰ অধীনত বঙাইগাঁৱৰ সকলো বিদ্যালয়ত অনুষ্ঠিত কৰাত উদ্যোগ গ্ৰহণ কৰিব বুলিও প্ৰতিশ্ৰুতি দিয়ে।



অনুষ্ঠান উপলক্ষে, ছাত্ৰীসকলে 'পাই' আৰ্হিত থিয় দি প্ৰাৰ্থনা সভাত প্ৰাৰ্থনা কৰে, বিভিন্ন ধৰণৰ কমখৰচী ঘৰুৱা সামগ্ৰীৰে 'পাই'ৰ আৰ্হি প্ৰস্তুত কৰি অনুষ্ঠানত উপস্থাপন কৰে। আলোচনা-সভাত ছাত্ৰ-ছাত্ৰীসকলৰ হতুৱাই 'পাই'-কেক্ কটা হয়। সভাত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অনিল চন্দ্ৰ সিংহ, বিদ্যালয়ৰ প্ৰধান শিক্ষক দ্বিজোমোহন নাথ, বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক ৰুদ্ৰেশ্বৰ পাঠকে তেখেতসকলৰ বক্তব্যত এনেধৰণৰ গাণিতিক কাৰ্যসূচীয়ে শিক্ষাৰ্থীসকলৰ গণিত-ভীতি আঁতৰাত সহায় কৰিব বুলি মন্তব্য কৰাৰ লগতে অসম গণিত শিক্ষায়তনৰ প্ৰচেষ্টাৰ শলাগ লয়। অসম গণিত শিক্ষায়তনৰ সদস্য ড° অমল কুমাৰ ডেকা, ৰমাৰঞ্জন চক্ৰবৰ্তী, অজিত চন্দ্ৰ সৰকাৰ, ড° নৱনীতা কোঁৱৰ আৰু বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকল অনুষ্ঠানত উপস্থিত থাকি বিভিন্ন দিশত সহায়-সহযোগিতা আৰু মূল্যবান পৰামৰ্শ আগবঢ়ায়। শেষত, আৰ্হি-প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক শিক্ষায়তনৰ তৰফৰ পৰা পুৰস্কৃত কৰা হয়।

অৰূপজ্যোতি মজুমদাৰ

*সাধাৰণ সম্পাদক, বঙাইগাঁও কেন্দ্ৰ*









